অসম বিধান সভা

তৰাবিহীন প্ৰশ্ন নং : ৩২০

উত্তৰ দানৰ তাৰিখ : ১৪-০৭-২০২৬

*বিষয়* : সৰুপথাৰ সমষ্টিত উচ্ছেদ কৰি বেদখলমুক্ত কৰা বনভূমি সম্পৰ্কত ।

শ্ৰীবিশ্বজিৎ ফুকন, বিধায়ক :

মাননীয় পৰিৱেশ আৰু বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) সৰুপথাৰ সমষ্টিৰ সৰ্বমুঠ কিমান মাটিত উচ্ছেদ কৰি বেদখলমুক্ত কৰা হ'ল ?

(খ) সৰ্বমুঠ উচ্ছেদিত পৰিয়ালৰ সংখ্যা কিমান ?

(গ) উচ্ছেদ চলাই বেদখলমুক্ত কৰা বনভূমিত গছপুলি ৰোপণ কৰাৰ আঁচনিখন কেতিয়া সম্পূৰ্ণ হ'ব ?

উত্তৰ:

পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ মাননীয় মন্ত্ৰী শ্ৰী জয়ন্ত মল্ল বৰুৱা মহোদয়ে উত্তৰ দিব :

(ক) গোলাঘাট বন সংমণ্ডলৰ অধীনত সৰুপথাৰ সমষ্টিত সৰ্বমুঠ ১৬২৭.১১ হেক্টৰ মাটি বেদখলমুক্ত কৰা হৈছে।

(খ) সৰ্বমুঠ উচ্ছেদিত পৰিয়ালৰ সংখ্যা-২৫২১ টা।

(গ) গোলাঘাট বন সংমণ্ডলৰ অধীনত উচ্ছেদ চলাই বেদখলমুক্ত কৰা বনভূমিত CAMPA আচঁনিৰ অধীনত ৭০ হেক্টৰ মাটিত বৃক্ষৰোপণৰ ব্যৱস্থা কৰা হৈছিল যদিও DAB Area হোৱাৰ বাবে এই কাৰ্য্যসূচী সম্পূৰ্ণ কৰিব পৰা নাই।

****